# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-04-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - -**

১। দ্বিতীয় পৰ্যায়ত কাইলৈ ৰাজ্যৰ ৫ টা সমষ্টিৰ লগতে দেশৰ ১৩খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৮৮ খন আসনৰ বাবে হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ। পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ ভোটগ্ৰহণ।

২। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ৰাজ্যত দুগৰাকী মহিলা প্ৰাৰ্থীকে ধৰি ৬১ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা।

৩। তৃতীয় পৰ্যায়ত চাৰিটা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে বিভিন্ন দলৰ ব্যাপক প্ৰচাৰ। জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি অব্যাহত।

৪। চাকমা-হাজংসকলক অৰুণাচল প্ৰদেশৰ পৰিৱৰ্তে অসমত সংস্থাপন দিয়াৰ পোষকতা কৰা বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিৰ সত্যতা কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৰ অস্বীকাৰ।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰু ছানৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

দ্বিতীয় পৰ্যায়ত কাইলৈ ৰাজ্যৰ ৫ টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন তথা নিৰ্বাচন বিভাগসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। তদুপৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সময়ত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ ব্যৱস্থাসমূহ ৰখাৰ দিহা কৰা হৈছে। বিশেষকৈ দিব্যাংগ ভোটদাতাৰ বাবে ৰেম্প, প্ৰসূতি মাতৃসকলৰ বাবে শিশুক দুগ্ধপান কক্ষৰ ব্যৱস্থা, খোৱাপানী, শৌচাগাৰ, বিদ্যুৎ যোগানকে ধৰি সকলো ব্যৱস্থা লোৱা হৈছে। প্ৰতিটো ভোটকেন্দ্ৰৰ বাবে নিয়োজিত বিষয়া-কৰ্মীসকল নিজ নিজ কেন্দ্ৰত ই ভি এম সহ উপস্থিত হৈছে।

দৰং-ওদালগুৰি সমষ্টিৰ অন্তৰ্গত তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ৪৭০ টা কেন্দ্ৰত ভোটগ্ৰহণত নিয়োজিত বিষয়া-কৰ্মচাৰীসকল আজি বাক্সা জিলাৰ সদৰ মুছলপুৰৰ পৰা প্ৰয়োজনীয় সামগ্ৰীসহ ৰাওনা হয়। এই নিৰ্বাচনৰ বাবে তামুলপুৰ বিধানসভা সমষ্টিত এহেজাৰ ১৮৪ আৰু গোৰেশ্বৰত এহেজাৰ ১৬০ গৰাকীকে ধৰি মুঠ দুহেজাৰ ২৪৪ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিয়োগ কৰা হৈছে। তদুপৰি নিৰ্বাচন নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা হৈছে বুলি জিলা নিৰ্বাচনী বিষয়াই সদৰি কৰিছে। একেদৰে নগাঁও লোকসভা সমষ্টিৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণ প্ৰক্ৰিয়াত নিয়োজিত বিষয়া-কৰ্মচাৰী, আৰক্ষী তথা নিৰাপত্তাৰক্ষীসকল নিজ নিজ গন্তব্য স্থানত উপস্থিত হৈছেগৈ। ইপিনে, ডিফু সমষ্টিৰ অন্তৰ্গত কাৰ্বি আংলং নিৰ্বাচনী জিলাত ভোটগ্ৰহণৰ

দায়িত্বত নিয়োজিত বিষয়াসকল সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছে। জিলাখনৰ ২০ টা ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণৰূপে মহিলা বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হ'ব। ডিফু সমষ্টিৰ অন্তৰ্গত হাফলং বিধানসভা সমষ্টিৰ ভোটগ্ৰহণৰ বাবেও ১৬৮ গৰাকী বিষয়া উপস্থিত হৈছে। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত মৰিগাঁও নিৰ্বাচনী জিলাৰ ভোটগ্ৰহণকাৰী বিষয়াসকল আজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেল পথাৰৰ পৰা সংশ্লিষ্ট কেন্দ্ৰসমূহলৈ সা-সামগ্ৰীসহ ৰাওনা হয়।

অসম আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে জটিল ভোটকেন্দ্ৰসমূহত অৰ্ধ-সামৰিক বাহিনীৰ জোৱানক সুৰক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছে আৰু ৪ হাজাৰ ৭৪৫ টা ভোটকেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। লগতে এই কেন্দ্ৰসমূহত মাইক্ৰ' অবজাৰ্ভাৰ নিয়োগ কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ সময়ছোৱাত সীমান্ত অঞ্চলত সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ ছীল কৰি দিয়া হৈছে। এই সময়ছোৱাত অঞ্চলসমূহত জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰাৰ লগতে যিকোনো কূটাঘাতমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰাৰ বাবে চোকা দৃষ্টি ৰখা হৈছে।

উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ৰ বাবে কাইলৈ আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ উপৰি ১৩খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

ooooo

দ্বিতীয় পৰ্যায়ত কাইলৈ অসমত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কৰিমগঞ্জত ২৪, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত ৰাজ্যখনৰ দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধেশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিব। অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হৈ অমৰ সিং টিছ', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিব।

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰেক্ষাপট সন্দৰ্ভত এতিয়া আমি আকাশবাণীৰ সংবাদদাতা মানস প্ৰতিম শৰ্মাৰ সৈতে কথা পাতিম।

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ ৰাজনৈতিক প্ৰেক্ষাপট সন্দৰ্ভত আপুনি কি ক'ব খোজে ? এই পৰ্যায়ত ৫ টা সমষ্টিত নিৰ্বাচন হ'ব। এই সমষ্টিকেইটাত কোন কোন দলৰ প্ৰাৰ্থীৰ মাজত প্ৰতিদ্বন্দ্বিতাৰ সম্ভাৱনা থকাটো আপুনি লক্ষ্য কৰে।

**ভইচ**

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বিভিন্ন দিশ সামৰি আপুনি আমাৰ শ্ৰোতাসকলক বিতংভাৱে জনালে। নিৰ্বাচন সম্পৰ্কীয় তথ্যৰ বাবে পৰৱৰ্তী সময়ত পুনৰ আপোনাৰ সৈতে সংযুক্ত হ'ম। ধন্যবাদ।

উল্লেখযোগ্য যে সমগ্ৰ দেশত দ্বিতীয় পৰ্যায়ত নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত সামগ্ৰিকভাৱে ৮ দশমিক ৬ শতাংশ মহিলা প্ৰাৰ্থী আছে। এই পৰ্যায়ত অসম আৰু ত্ৰিপুৰাত দুগৰাকীকৈ মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি জানিব পৰা গৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত প্ৰাৰ্থীসকলৰ ভিতৰত মহিলা প্ৰাৰ্থী ৮ দশমিক ২ শতাংশ আছিল। দ্বিতীয় পৰ্যায়ত কেৰালাত সৰ্বাধিক ২৫ গৰাকী মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে, কৰ্ণাটকত ২১ গৰাকী আৰু উত্তৰ প্ৰদেশত ১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

নিৰ্বাচন আয়োগে দ্বিতীয় পৰ্যায়ত কাইলৈ ৰাজ্যৰ পাঁচটা সমষ্টিত হ'বলগীয়া নিৰ্বাচন স্বচ্ছ, মুক্ত, নিকা আৰু শান্তিপূৰ্ণ ৰূপত পৰিচালনাৰ বাবে তৎপৰতাৰে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি তুলিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি এখন সংবাদমেলত কয় যে এই পৰ্যায়ত ৰাজ্যখনৰ ৫ টা সমষ্টিৰ অন্তৰ্গত ৯ হাজাৰ ১৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰত ৭৭ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ইয়াৰ ভিতৰত ৩৮ লাখ ৭৮ হাজাৰৰো অধিক পুৰুষ, ৩৮ লাখ ৩০ হাজাৰৰো অধিক মহিলা আৰু ১৭০ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। একেদৰে ৬১ হাজাৰ ৫৪৮ গৰাকী বিশেষভাৱে সক্ষম ভোটদাতাই এই পৰ্যায়ত ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে। দ্বিতীয় পৰ্যায়ৰ ভোটদাতাসকলৰ ভিতৰত ১৫ হাজাৰ ৬৮৩ গৰাকী দৃষ্টিহীন আৰু ৩৪ হাজাৰ ৫৪৮ গৰাকী ৮৫ বছৰৰ ঊৰ্ধৰ ভোটদাতা আছে। একেদৰে ১০০ বছৰ অতিক্ৰম কৰা ৮৬২ গৰাকী ভোটদাতা আৰু ১৭ হাজাৰ ৩৯২ গৰাকী ছাৰ্ভিচ ভোটাৰ আছে। এই পৰ্যায়ত ১৮ৰ পৰা ১৯ বছৰ বয়সৰ ১ লাখ ২১ হাজাৰ ৭৬৯ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব বুলি শ্ৰী গোৱেলে প্ৰকাশ কৰে। এই পৰ্যায়ত ৯ হাজাৰ ১৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ৯০৬টা নগৰাঞ্চলত আৰু ৮ হাজাৰ ২২৭ টা গ্ৰামাঞ্চলত স্থাপন কৰা হৈছে। ভোটকেন্দ্ৰসমূহৰ ভিতৰত এহেজাৰ ২২০ টা কেন্দ্ৰ জটিল বুলি চিনাক্ত কৰি পৰ্যাপ্ত নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। আনহাতে, ৪৭৩ টা কেন্দ্ৰ মহিলা বিষয়া আৰু ১২ টা কেন্দ্ৰ বিশেষভাৱে সক্ষম বিষয়াই পৰিচালনা কৰিব। দ্বিতীয় পৰ্যায়ত ৯০ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। এই পৰ্যায়ত কৰিমগঞ্জত সৰ্বাধিক ২৪ গৰাকী আৰু ডিফুত সৰ্বনিম্ন ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। সমষ্টিকেইটাৰ ভিতৰত ডিফুত আটাইতকৈ কম ৯ লাখ এহেজাৰ গৰাকী আৰু দৰং-ওদালগুৰিত সৰ্বাধিক ২২ লাখ ৯ হাজাৰৰো অধিক ভোটদাতা আছে। নিৰ্বাচন আয়োগে ভোটদাতাসকলক নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

ooooo

অৰুণাচল প্ৰদেশত চাকমা-হাজংসকলক সংস্থাপন নিদি অসমত সংস্থাপন দিয়াৰ পোষকতা কৰা বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিটোৰ সত্যতা কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে অস্বীকাৰ কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী ৰিজিজুৱে কৈছে যে অসমত চাকমা-হাজংসকলক সংস্থাপন দিবৰ বাবে তেওঁ কেতিয়াও কোৱা নাই। তেওঁ কয় যে নাগৰিকত্ব সংশোধনী আইন অনুসৰি অৰুণাচলত চাকমা-হাজংসকল স্থায়ী নাগৰিক হ'ব নোৱাৰে আৰু সেইবাবে চাকমা-হাজংসকলৰ সংস্থাপনৰ বিষয়টো সমাধান কৰিবলৈ শ্ৰী ৰিজিজুৱে নেদাৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাত মিলিত হৈছিল। অসমত চাকমা-হাজংসকলক সংস্থাপন দিবলৈ কোৱা হোৱা নাই বুলি কিৰেণ ৰিজিজুৱে স্পষ্টভাৱে জানিবলৈ দিয়ে। আনহাতে, মুখ্যমন্ত্ৰী ড° শৰ্মাই চাকমা-হাজংসকলক অসমত সংস্থাপন দিয়া বিষয়টো ইতিপূৰ্বে অস্বীকাৰ কৰিছে। ইফালে, কংগ্ৰেছ দলৰ নেতা, সাংসদ তথা যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি সাংবাদিকৰ আগত এই বিষয়টো উল্লেখ কৰি চাকমা-হাজংসকলৰ অসমত সংস্থাপনৰ বিষয়টো সন্দৰ্ভত কিৰেণ ৰিজিজু আৰু মুখ্যমন্ত্ৰীক একেলগে সংবাদমেল সম্বোধন কৰি স্পষ্ট কৰি দিবলৈ আহ্বান জনায়।

ooooo

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে অহা ২৭ এপ্ৰিলত অসমলৈ আহিব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই এই কথা সদৰি কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে বৰপেটাৰ কংগ্ৰেছ প্ৰাৰ্থী দীপ বায়নৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে গুৱাহাটীত এখন সংবাদ মেলত অংশগ্ৰহণ কৰিব।

ooooo

অহা ৭ মে'ত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত দুহেজাৰ ৯৬৩ গৰাকী প্ৰাৰ্থীয়ে ৯৫টা সংসদীয় সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰিছিল। ইপিনে, অসমত এই পৰ্যায়ত ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। এই পৰ্যায়ত ৰাজ্যৰ গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ লোকসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ আজি অন্ত পৰিব। কাইলৈ মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ২৯ এপ্ৰিললৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। চতুৰ্থ পৰ্যায়ত উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, বিহাৰ, ঝাৰখণ্ড, ওড়িশা, পশ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু জম্মু-কাশ্মীৰৰ ৯৬ টা সংসদীয় সমষ্টিৰ বাবে ১৩ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০

ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া তৃতীয় তথা অন্তিম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে বাকী ৪টা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত আছে। কৃষিমন্ত্ৰী অতুল বৰাই আজি কামৰূপ জিলাৰ হাজোত মাৰাথন প্ৰচাৰ অভিযান চলায়। তেওঁ হাজো অঞ্চলৰ বিভিন্ন ঠাইত ৫টাকৈ নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰাৰ লগতে কেইবাখনো জনসভাত ভাগ লয়।

০০০০০

তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজ্যৰ চাৰিটা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে। গুৱাহাটী সমষ্টিৰ কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়ে আজি গুৱাহাটীৰ বাসগৃহত এখন সংবাদমেল সম্বোধন কৰি স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ পোষকতা কৰে।

০০০০০

বিশ্ববিদ্যালয় অনুদান আয়োগে এটা নিৰ্দেশনাযোগে শিৱসাগৰ জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ক স্বতন্ত্ৰ মহাবিদ্যালয় হিচাপে ঘোষণা কৰিছে। আয়োগে এই সন্দৰ্ভত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়কলৈ নিৰ্দেশনা পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে, ছানৰাইজাৰ্ছ হায়দৰাবাদ ১০ পইণ্টেৰে পইণ্ট তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু মাথোঁ ২ পইণ্টেৰে অন্তিম স্থানত আছে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বেটাৰ বিৰাট কোহলীয়ে ৮খন খেলত ৩৭৯ ৰান সংগ্ৰহ কৰি অৰেঞ্জ কেপ এতিয়ালৈকে তেওঁৰ দখলত ৰাখিছে।

০০০০০

সমাপ্ত